# গ্ৰীক দৰ্শনৰ পৰিচয়

প্ৰীতিলতা মহন্ত
স্নাতক, ২য় বৰ্ষ (দৰ্শন বিভাগ)

খৃঃ পূঃ ষষ্ঠ শতিকাত আৰম্ভ হৈছিল গ্ৰীক দৰ্শন। ধৰ্মীয় পৰম্পৰাৰ বান্ধোন চিঙি অলৌকিক শক্তি তথা দেৱ-দেৱীৰ ওপৰত নিৰ্ভৰ নকৰাকৈ যেতিয়া দৰ্শনৰ পিতৃপুৰুষ থেল্‌চে জগতৰ ৰহস্য ব্যাখ্যা কৰিবলৈ চেষ্টা কৰিছিল, তেতিয়াই অংকুৰিত হৈছিল যথাৰ্থ দাৰ্শনিক অনুসন্ধান। ইয়ে আছিল সমগ্ৰ পাশ্চাত্য দৰ্শনৰ আৰম্ভণিৰ পবিত্ৰ ক্ষণ। কোনো লোকেই নিজৰ ছাঁক অতিক্ৰম কৰিব নোৱাৰাৰ দৰে কোনো দাৰ্শনিকেই নিজৰ সময় আৰু সামাজিক পৰিবেশক অতিক্ৰম কৰিব নোৱাৰে। গ্ৰীক দৰ্শনৰ পৰিবেশ, ধৰ্মীয় পৰম্পৰা আৰু নৈতিক বাতাবৰণৰ ভেটিত প্ৰস্ফুটিত হৈ উঠিল দাৰ্শনিক চিন্তা।

প্ৰাচীন গ্ৰীক দাৰ্শনিক সকলক বিশেষকৈ তেওঁলোকৰ বৈজ্ঞানিক অনুসন্ধানৰ বাবে উচ্চ প্ৰশংসা কৰা হয় যদিও তেওঁলোকৰ দৰ্শন আৰু নৈতিকতা ও অতি উচ্চ পৰ্য্যায়ৰ। সমগ্ৰ পাশ্চাত্য দৰ্শন যথাৰ্থতে নৈতিক মূল্যবোধ আৰু দাৰ্শনিক ধাৰণা সমূহৰ বাবে তেওঁলোকৰ ওচৰত চিৰ ঋণী। গ্ৰীক দৰ্শনৰ সাধাৰণ বৈশিষ্ট্যবোৰ তলত উল্লেখ কৰা হ'ল —

(১) প্ৰাচীন গ্ৰীক দাৰ্শনিক সকলে মুক্ত মনেৰে চিন্তা কৰিছিল। তেওঁলোকে অলৌকিক শক্তি, দেৱ-দেৱীৰ ক্ষমতাৰ ওপৰত নিৰ্ভৰ কৰা নাছিল। সম্পূৰ্ণ প্ৰাকৃতিকভাৱেই জগতৰ ব্যাখ্যা দিবলৈ তেওঁলোকে চেষ্টা কৰিছিল।

(২) ধৰ্মৰ বান্ধোনৰ পৰা সম্পূৰ্ণ মুক্ত হৈ গ্ৰীক চিন্তাবিদ সকলে অতি প্ৰাচীন কালতে বৈজ্ঞানিক অনুসন্ধানত মনোনিবেশ কৰিছিল। তেওঁলোকক পাশ্চাত্য বিজ্ঞানৰ প্ৰতিষ্ঠাতা বুলি অভিহিত কৰা হয়।

(৩) আধুনিক কালত বিজ্ঞানে যি অৰ্থ কৰে, প্ৰাচীন গ্ৰীক দাৰ্শনিক সকলে বিজ্ঞানৰ জৰিয়তে তেনে অৰ্থ কৰা নাছিল। তেওঁলোকৰ মতে বিজ্ঞান হ'ল অলৌকিক শক্তিৰ ওপৰত নিৰ্ভৰ নকৰাকৈ স্বাধীনভাৱে প্ৰাকৃতিক ভাবেই তেওঁলোকে বিশ্ব জগতৰ ব্যাখ্যা কৰিবলৈ প্ৰয়াস কৰিছিল।

(৪) দৰাচলতে দৰ্শন হ'ল বিজ্ঞান আৰু ধৰ্মৰ এক মধ্যৱৰ্ত্তী অৱস্থা। মানৱ জীৱনৰ পৰা ধৰ্মক প্ৰত্যাহাৰ কৰা সম্ভৱ নহয়। ছক্ৰেটিছ হেনো সততে অলৌকিক পথ এটাৰ দ্বাৰা পৰিচালিত হৈছিল। তেওঁ মাজে মাজে ধ্যান আৰু তন্দ্ৰাত মগ্ন হৈছিল। প্লেটো আৰু প্লেটিনাছ উভয়ে গভীৰ ধ্যানৰ বিষয়ে উল্লেখ কৰিছে, যাৰ সহায়ত মানুহে আধ্যাত্মিক উন্নতি লাভ কৰিব পাৰে। কিন্তু এৰিষ্টটলে ধৰ্মক সম্পূৰ্ণৰূপে বৰ্জন কৰিব পাৰিছিল। সেয়ে তেওঁ সৰ্বশ্ৰেষ্ঠ দৰ্শন আৰু বিজ্ঞানৰ ভেঁটি নিৰ্মাণ কৰিব পাৰিছিল। উল্লেখযোগ্য যে পৰৱৰ্ত্তী কালৰ ইউৰোপীয় দৰ্শনক খ্ৰীষ্টান ধৰ্মই প্ৰভাৱিত কৰিছিল আৰু বিজ্ঞানৰ অনুসন্ধান কাৰ্য্যও ব্যাহত হৈছিল। সাধাৰণতে গ্ৰীক দৰ্শনে চাৰিটা বিশিষ্ট যুগ সামৰি লয়।

(৫) পোনপ্ৰথমে আৰম্ভ হোৱা দাৰ্শনিক চিন্তাচৰ্চাৰ কালকে প্ৰাক্ চক্ৰেটিছ দৰ্শন বুলি কোৱা হয়। আৰ্থওনিয়ান তথা মিলেছিয়ান প্ৰকৃতিবাদী সকলে গ্ৰীক দৰ্শনৰ পাতনি মেলিছিল। সেই সময়ত প্ৰচলিত পৰম্পৰাগত ধৰ্ম, লোকবিশ্বাস তথা দেৱ-দেৱীৰ ধ্যান ধাৰণাৰ পৰা মুক্ত হৈ মিলেছিয়ান সম্প্ৰদায়ৰ দাৰ্শনিক সকলে স্বাধীন চিন্তাৰে জগতৰ মূল সত্বাৰ অনুসন্ধান কৰিছিল।

(৬) ইয়াৰ পিছত প্ৰাক্ ছক্ৰেটিছ দৰ্শনলৈ এক বিশেষ পৰিস্থিতিৰ সূচনা হয়। ছফিষ্টসকলে এই পৰিৱৰ্ত্তনৰ সূচনা কৰিছিল বাবে ইয়াকে ছ'ফিষ্টৰ যুগ বুলিব পাৰি। ছ'ফিষ্টসকলে মানবীয় মূল্যবোধ, জ্ঞান আৰু চৰিত্ৰকে দৰ্শনৰ প্ৰধান বিষয় বুলি গ্ৰহণ কৰিলে। তেওঁলোকে গোটেই দেশ ভ্ৰমণ কৰি এইবোৰৰ শিক্ষা, প্ৰচাৰ কৰি ফুৰিছিল। ছ'ফিষ্ট সকলৰ ভিতৰত প্ৰটাগোৰাছ (Protagoras), গৰ্জিয়াছ (Gorgias), প্ৰডিকাছ (Prodicus) আদিয়েই প্ৰধান।

(৭) ইয়াৰ পিছতে সৰ্বশ্ৰেষ্ঠ দৰ্শনৰ যুগ। ছ'ক্ৰেটিছৰ দৰ্শনৰ ভেঁটিতে প্লেটো আৰু এৰিষ্টটলৈ তেওঁলোকৰ যাউতিযুগীয়া দৰ্শন প্ৰতিষ্ঠিত কৰিলে। জ্ঞান, সত্য, ৰাজনীতি, সমাজনীতি, নীতিশাস্ত্ৰ আদি সকলো দিশতে এক চৰম উৎকৰ্ষ সাধন সম্ভৱ হৈ উঠিল। ধৰ্ম তথা পৰমেশ্বৰৰ ওপৰত প্লেটোৰ গভীৰ বিশ্বাস আছিল। কিন্তু এৰিষ্টটল আছিল যথাৰ্থ আৰু সৰ্ব্বশ্ৰেষ্ঠ দাৰ্শনিক।

(৮) এৰিষ্টটলৰ পৰৱৰ্ত্তী কালৰ গ্ৰীক দৰ্শনৰ অৱনমিত যুগ বুলি কব পাৰি। কিয়নো এৰিষ্টটলৰ মৃত্যুৰ পিছতে এক প্ৰকাৰৰ গ্ৰীক দৰ্শনৰ অন্ত পৰে। তেওঁৰ অনুগামীসকলে কিছুমান স্বাধীন চিন্তাৰে দৰ্শন চৰ্চাত ব্ৰতী হৈছিল। কিন্তু যীশুখ্ৰীষ্টৰ জন্মৰ পিছৰ পৰা গ্ৰীক দৰ্শনৰ সম্পূৰ্ণ বিলোপ সাধন হয় আৰু তাৰ ঠাইত খ্ৰীষ্টান ধৰ্মৰ একেশ্বৰবাদ আৰু নীতিতত্বই প্ৰাধান্য লাভ কৰে।

গ্ৰীক দৰ্শনৰ বৈশিষ্ট্য এয়েযে ইয়াৰ চিন্তা-চৰ্চা আৰু বিচাৰ বিশ্লেষণ আজিও সজীৱ আৰু অতি প্ৰাসঙ্গিক। সেইবাবে ডব্লিউ টি. ষ্টেচে তেওঁৰ "Critical History of Greek Philosophy" গ্ৰন্থৰ পাতনিত লিখিছে "গ্ৰীক দৰ্শন আজি অতীত হৈ যোৱা নাই। প্ৰত্নতত্ববিদ নাইবা ইতিহাসবিদৰ

দৃষ্টিকোণৰ পৰাহে যে গ্ৰীক দৰ্শনৰ জ্ঞান ভাণ্ডাৰ মূল্যবান, সেইটো নহয়। আমি ইয়াৰ জৰিয়তে বাস্তৱ আৰু জীৱন্ত বস্তুৰ আলোচনা কৰি আছো, মৃত বস্তু ৰখা বিগত দিনৰ শুকান খণ্ড-বিখণ্ড পৰিত্যক্ত হাড় মূৰৰ আলোচনা ইয়াত নাই"।

গ্ৰীক দৰ্শনৰ প্ৰণেতা ডব্লিউ টি ষ্টেচে ভাৰতীয় দৰ্শনক গ্ৰীক দৰ্শনৰ লগত তুলনা কৰিছে আৰু তেওঁ যথাৰ্থ দৰ্শন বুলি ভাৰতীয় দৰ্শনক স্বীকৃতি দিব খোজা নাই। এই প্ৰসঙ্গত অলপ আলোচনা কৰা হ'ল।

গ্ৰীক দৰ্শন আৰু প্ৰাচীন ভাৰতীয় দৰ্শন বা বৈদিক দৰ্শন সমসাময়িক। উভয় দৰ্শনৰ মাজত যথেষ্ট সাদৃশ্যও দেখা যায়। বৈদিক ধৰ্ম আৰু বৈদিক সভ্যতা পৃথিৱীৰ প্ৰাচীনতম সভ্যতা সংস্কৃতিৰ নিদৰ্শন। ঋকবেদ বিশ্বৰ সৰ্বপ্ৰথম লিখিত গ্ৰন্থ। বেদক ভিত্তি কৰি ৰচিত হৈছে উপনিষদ। বিশ্বজগতৰ মূল সত্য ব্ৰহ্ম বা আত্মা, এয়ে উপনিষদৰ ভিত্তিত ভাৰতত প্ৰতিষ্ঠিত হৈছে ছয়টা বৈদিক দৰ্শন সম্প্ৰদায় - ন্যায়, বৈশিষ্ট্য, সাংখ্য, যোগ, মিমাংসা আৰু বেদান্ত দৰ্শন। আনহাতে বেদৰ সত্যতাৰ প্ৰতিবাদ স্বৰূপে প্ৰাচীন ভাৰতত প্ৰতিষ্ঠিত হৈছিল তিনিটা নাস্তিক বা অনৈতিক দৰ্শন সম্প্ৰদায়। সেয়া হৈছে চাৰ্বাক, বৌদ্ধ আৰু জৈন দৰ্শন। এই নটা আস্তিক আৰু নাস্তিক দৰ্শনৰ সমাহাৰ ভাৰতীয় দৰ্শন। শংকৰাচাৰ্য্যৰ অদ্বৈত বেদান্ত দৰ্শনৰ যোগেদি ভাৰতীয় দৰ্শনৰ চৰম উৎকৰ্ষ সাধন হৈছিল।

ভাৰতীয় দৰ্শনৰ উপযুক্ত স্থান দৰ্শন জগতৰ ইতিহাসত সঁচাকৈয়ে দেখা নাযায়। পাশ্চাত্য দাৰ্শনিক সকলে ভাৰতত কোনো দৰ্শনে প্ৰতিষ্ঠা লাভ কৰিছিল নে নাই সেই সম্পৰ্কে সন্দেহ প্ৰকাশ কৰিছে। দৰ্শনৰ ইতিহাসত ভাৰতীয় দৰ্শনক কিয় স্থান দিয়া নাই সেই বিষয়ে ডব্লিউ. টি. ষ্টেচে কেইটামান যুক্তি আগবঢ়াইছে।

(৯) ভাৰতীয় দৰ্শন আৰু ধৰ্মৰ কেতিয়াও পৃথকীকৰণ হোৱা নাই। একমাত্ৰ জ্ঞান লাভৰ আহৰণ ভাৰতত দেখা নাযায়। মুক্তি লাভৰ নিমিত্তেই ভাৰতীয় দাৰ্শনিক সকল জ্ঞান অৰ্জনৰ পোষকতা কৰে। এইটো সত্য যে ধৰ্ম আৰু দৰ্শনৰ অৰ্ন্তনিহিত উদ্দেশ্য একেটাই। পৰম সত্য উপলব্ধিয়েই উভয়ৰ অন্তিম লক্ষ্য। কিন্তু সেই লক্ষ্যত উপনীত হোৱাৰ পথ উভয়ৰে বেলেগ বেলেগ। দৰ্শনে যুক্তি পদ্ধতি তথা বৈজ্ঞানিক পদ্ধতিৰ দ্বাৰা উক্ত বিষয়ত পৰ্য্যালোচনা কৰে। আনহাতে ধৰ্মই পৌৰাণিক আখ্যান অলৌকিক বিশ্বাসৰ দ্বাৰা উক্ত বিষয় উপস্থাপন কৰে।

(১০) ভাৰতীয় দৰ্শনে কেতিয়াও ইন্দ্ৰিয় অভিজ্ঞতাৰ পৰা শুদ্ধ চিন্তালৈ উন্নীত নহয়। ভাৰতীয় দৰ্শন বৈজ্ঞানিক নহয়। ই কাব্যিক অভিব্যক্তিহে। বৌদ্ধিক বিশ্লেষণৰ পৰিৱৰ্তে ৰূপক আৰু প্ৰতীকৰ আশ্ৰয় লয় ভাৰতীয় দৰ্শনে। এইবাবে ভাৰতীয় দৰ্শনে সত্যৰ দাৰ্শনিক উপস্থাপনৰ পৰিৱৰ্তে এক ধৰ্মীয় অভিব্যক্তিহে প্ৰকাশ কৰে।

আকৌ কোৱা হৈছে অদ্বৈত পৰমাত্মাৰ পৰা জগত, জীৱ সমূহৰ সৃষ্টি হৈছে। উপনিষদত এয়ে হাজাৰ হাজাৰ লোক কথা সন্নিৱিষ্ট হৈ আছে। কিন্তু এইবোৰ কথাৰ জৰিয়তে সৃষ্টি তত্ত্ব সম্বন্ধে কোনো যথাৰ্থ ব্যাখ্যা আৰু বিশ্লেষণ নাই। এইবোৰে ধৰ্মীয় আবেগ, অনুভূতি প্ৰদান কৰিব পাৰে কিন্তু বৌদ্ধিক সন্তুষ্টি প্ৰদান কৰিব নোৱাৰে। কিন্তু দৰ্শনৰ উদ্দেশ্য হৈছে কেৱল মাত্ৰ বিচাৰ-বিশ্লেষণৰ জৰিয়তেহে কোনো সত্যৰ স্বৰূপ ব্যাখ্যা কৰা।

শেষত কোৱা হৈছে যে ভাৰতীয় দৰ্শনক ইতিহাসৰ পৰা বাদ দিয়াৰ অন্যতম কাৰণ হ'ল মানৱৰ বিকাশৰ ধাৰাৰ মূল সুঁতিৰ পৰা ই বাহিৰত অৱস্থান কৰিছে। সেয়ে সাধাৰণ দৰ্শন জগতত ই কোনো প্ৰভাৱ পেলোৱা নাই। ষ্টেচে ইয়াকো উল্লেখ কৰিছে যে কিছুমান প্ৰাচ্যবিদে ইয়াকে ক'ব খোজে যে গ্ৰীক দৰ্শন হেনো ভাৰতৰ পৰাহে তাঁলৈ গৈছে। কিন্তু তেওঁৰ মতে এইটো সত্য নহয়। গ্ৰীক দৰ্শন দৰাচলতে পূবৰ পৰা অৰ্থ্যাৎ ইজিপ্তৰ পৰাহে উদ্ভৱ হৈছে। কিন্তু তেওঁৰ এই মতও বৰ্ত্তমান প্ৰত্যাহাৰ হৈছে। গ্ৰীক সভ্যতা সংস্কৃতিত কেৱল অংক আৰু জ্যোতিৰ্বিদ্যা ইজিপ্তৰ পৰা আমদানি হৈছিল। পুনৰ জন্মৰ ধাৰণাটো পাইথাগোৰাছৰ পৰা প্লেটোলৈ সম্প্ৰসাৰিত হৈছে। পুনৰ জন্মৰ ধাৰণাটোৰ গুৰুত্ব গ্ৰীক দৰ্শনত কম। প্লেটোই পুনৰ জন্মৰ ধাৰণাটো অধিকভাবে প্ৰয়োগ কৰিছে যদিও তেওঁৰ মৌলিক দৰ্শনৰ ইয়াৰ কোনো সম্পৰ্ক নাই।

ভাৰতীয় দৰ্শন সম্পৰ্কে ষ্টেচৰ ধাৰণা ব্যাখ্যা আৰু অভিমত সম্পূৰ্ণ গ্ৰহণযোগ্য নহয়। তেওঁ ভাৰতীয় দৰ্শনক ধৰ্মৰ পৰা পৃথকে আলোচনা কৰিব বিচৰা নাই। সৰ্বশক্তিমান অলৌকিক শক্তিকে ভগৱান বুলি বিশ্বাস কৰে আৰু সেই পৰমেশ্বৰৰ সদায় সাহাৰ্য্য লাভ কৰি পাৰ্থিৱ জগতৰ দুখ কষ্ট লাঘৱ কৰিবলৈ মানুহে আকাংখ্যা কৰে। সেই উদ্দেশ্যে ধৰ্মীয় আচাৰ অনুষ্ঠান পূজা পাতল আদি ধৰ্মীয় পৰম্পৰা আজিকোপতি প্ৰচলিত আছে। ধৰ্ম অবিহনে সমাজ জীৱন অসম্ভৱ। বিশ্বত প্ৰচলিত বিভিন্ন ধৰ্মৰ ভিতৰত ভাৰতৰ বৈদিক ধৰ্ম তথা হিন্দু ধৰ্ম অন্যতম। সনাতন হিন্দু ধৰ্মৰ উদাৰতা আৰু সাৰ্বজনীনতা উল্লেখযোগ্য বৈশিষ্ট্য। ধৰ্ম আৰু জীৱনৰ নিবিড় সম্বন্ধ থকা বাবেই ভাৰতীয় দৰ্শনৰ লগত ধৰ্মৰ সম্বন্ধ অধিক। ভাৰতীয় দৰ্শনে ব্যৱহাৰিক আৱশ্যকতাত গুৰুত্ব দিয়ে বাবেই ই জীৱন পদ্ধতি হিচাপেই পৰিগণিত। সেয়ে ক'ব পাৰি যে দৰ্শন ধৰ্মৰ পৰা সম্পূৰ্ণ মুক্ত হ'ব নোৱাৰে। দৰ্শন জীৱনৰ বাবে প্ৰয়োজন। গতিকে মানৱ জীৱন পদ্ধতি তথা ধৰ্ম উভয়ৰ পৰাই দৰ্শন মুক্ত নহয়। মানৱ জীৱনলৈ লক্ষ্য, নীতি-নৈতিকতা, সুখ-দুখ, ভাল-বেয়া ইত্যাদি জীৱনৰ লগত জড়িত অনেক সমস্যা দৰ্শন অধ্যয়নৰ বিষয় বস্তুৰ ভিতৰত পৰে। সেয়ে দৰ্শনে জীৱন তথা ধৰ্মক পৰিত্যাগ কৰিব নোৱাৰে। একেটা সত্য প্ৰাপ্তিয়েই দৰ্শন আৰু ধৰ্ম উভয়ৰে অন্তিম লক্ষ্য। গতিকে ভাৰতীয় দৰ্শন ধৰ্মৰ লগত নিবিড়ভাৱে জড়িত কেৱল এই দিশৰ পৰাই ভাৰতীয় দৰ্শনক যথাৰ্থ দৰ্শন নহয় বুলি ক'ব নোৱাৰি। এইটোও সত্য যে বহুতো ভাৰতীয় দাৰ্শনিকে তেওঁলোকৰ গভীৰ ধৰ্ম বিশ্বাসৰ বাবে সমাৰ্থ দৰ্শন প্ৰতিষ্ঠা কৰাত ব্যৰ্থ হৈছে।

দ্বিতীয়তে, ভাৰতীয় দৰ্শনৰ বহুতো মতবাদ ধৰ্মীয় বিশ্বাসৰ পৰা সম্পূৰ্ণ মুক্ত আৰু সেইবোৰৰ প্ৰতি উক্ত গ্ৰন্থকাৰে লক্ষ্য কৰা নাই। যুক্তি পদ্ধতি আৰু বিচাৰ বিশ্লেষণৰ দ্বাৰা প্ৰাচীন ভাৰতৰ বহুতো দাৰ্শনিকে তেওঁলোকৰ মতবাদ প্ৰতিষ্ঠা কৰি উচ্চ পৰ্য্যায়ৰ দৰ্শনৰ নিদৰ্শন দাঙি ধৰিছে। নিৰীশ্বৰবাদী সাংখ্য দৰ্শনৰ প্ৰকৃতি পৰিণামবাদ, সৎ কাৰ্য্যবাদ, বৈশেষিক দৰ্শনৰ পৰমাণু তত্ব, জৈন দৰ্শনৰ অনেকান্তবাদ আৰু জ্ঞানতত্ব, বৌদ্ধ দৰ্শনৰ অনাত্মবাদ, চাৰ্বাক দৰ্শনৰ জ্ঞানতত্ব, ন্যায় দৰ্শনৰ জ্ঞানতত্ব, স্বতঃ প্ৰামান্যবাদ আৰু পৰতঃ প্ৰামান্যবাদ, শঙ্কৰাচাৰ্য্যৰ ব্ৰহ্মাতত্ব ইত্যাদি ভাৰতীয় দৰ্শনৰ অনেক মতবাদেই ধৰ্মীয় পৰম্পৰাৰ লগত সম্বন্ধিত নহয়। নিজস্ব অধিকল্পনা, যুক্তিপদ্ধতি আৰু দন্দ্বাত্মক পদ্ধতি প্ৰয়োগ কৰিয়ে ভাৰতীয় দাৰ্শনিকসকলে তেওঁলোকৰ এইবোৰ উচ্চ পৰ্য্যায়ৰ দাৰ্শনিক মতবাদ প্ৰতিষ্ঠা কৰিছে। গতিকে বিশ্বৰ দৰ্শনৰ ইতিহাসত ভাৰতীয় দৰ্শনে যথাযোগ্য স্থান লাভ কৰাৰ যোগ্যতা নিশ্চয় আছে। ❑